# 2 0 1 8

## ASSAMESE

( Major )

Paper : 5.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৭=৭

(ক) অসমত মহাপুৰুষ দুগৰাকীৰ নামত প্ৰচলিত বৰগীত কেইটা ?

(খ) ৰজা শিৱ সিংহই বিদ্যাপতিক কি উপাধিৰে ভূষিত কৰিছিল ?

(গ) 'ব্ৰজবুলি-গীতি-গুচ্ছ' গ্ৰন্থখনৰ সম্পাদকগৰাকীৰ নাম কি ?

(ঘ) হিন্দী কবি সুৰদাসক অসমৰ কোনগৰাকী কবিৰ লগত তুলনা কৰা হয় ?

(ঙ) বৈষ্ণৱ পদাৱলী সাহিত্যত কোনগৰাকী কবিক 'প্ৰেম আৰু সৌন্দৰ্যৰ কবি' বুলি অভিহিত কৰা হৈছে ?

(চ) বৈষ্ণৱ পদাৱলীত কেই প্ৰকাৰৰ নায়িকাৰ উল্লেখ পোৱা যায় ?

(ছ) মহাপুৰুষ শঙ্কৰদেৱৰ বিৰচিত 'মাথুৰ বিৰহ' শীৰ্ষক বৰগীতটিত কি ৰাগ ব্যৱহাৰ কৰা হৈছে ?

২। সংক্ষিপ্ত উত্তৰ দিয়া : ২×৪=৮

(ক) বিদ্যাপতিয়ে অৱহট্ট ভাষাত ৰচনা কৰা গ্ৰন্থ দুখনৰ নাম লিখা।

(খ) বৰগীতৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(গ) গোবিন্দদাস কোন ঠাইৰ কবি ? শ্ৰীজীৱ গোস্বামীয়ে তেওঁক কি উপাধিৰে সন্মানিত কৰিছিল ?

(ঘ) "সো বহু-বল্লভ জগজন-দুৰ্লভ
তেজলি নিজ মন-সাধে।"

কবিতাংশ কোনটো কবিতাৰ অন্তৰ্গত ? কবিগৰাকীৰ নাম কি ?

৩। ব্যাখ্যা কৰা (যি কোনো তিনিছোৱা) : ৫×৩=১৫

(ক) শূন্য ভৈল অঙ্গিনা বিৰিন্দা-বিপিন।
না সোহে ৰয়নী জৈছে চান্দ-বিহীন॥

(খ) গগন গৰজ ঘন শুনি মন শংকিত
বাৰিষ হৰি কৰু ৰাৱে।
দখিন পৱন সৌৰভে যদি সন্তৰব
দুহুঁ মন দুহুঁ বিছুৰাৱে॥

(গ) সুন্দৰী কৈছে কৰবি অভিসাৰ।
হৰি ৰহু মানস-সুৰধনি পাৰ॥





(ঘ) সজনি কাহে কৰব দিন বঞ্চ।
জীবইতে ভেল অশঞ্চ॥

(ঙ) সখিহে হমৰি দুখক নহি ওৰ।
ই ভৰ বাদৰ মাহ ভাদৰ
শূন মন্দিৰ মোৰ॥

৪। (ক) বিদ্যাপতি কোন সময়ৰ কবি ? তেওঁৰ কবি-প্ৰতিভা সম্পৰ্কে চমুকৈ আলোচনা কৰা। ২+৮=১০

*অথবা*

ব্ৰজবুলি ভাষাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটি প্ৰবন্ধ যুগুত কৰা। ১০

(খ) বিদ্যাপতি আৰু শংকৰদেৱৰ বিৰচিত 'মাথুৰ বিৰহ' শীৰ্ষক গীতকেইটাৰ তুলনামূলক আলোচনা আগবঢ়োৱা। ১০

*অথবা*

"চাটুকাৰমপি প্ৰাণনাথং ৰোষাদ্‌পাস্য যা।
পশ্চাত্তাপমবাপ্নোতি কলহান্তৰিতা তু সা॥"

বিশ্বনাথ কবিৰাজে কলহান্তৰিতা নায়িকা সম্পৰ্কে দিয়া উক্ত সংজ্ঞাটোৰ আধাৰত তোমাৰ পাঠত থকা 'কলহান্তৰিতা নায়িকা' শীৰ্ষক কবিতাটিৰ এটি চমু আলোচনা আগবঢ়োৱা।

(গ) "বাৎসল্য ৰস মাধৱদেৱৰ ভক্তজীৱনৰ সৰ্বস্ব।" তোমাৰ পাঠ্য 'চিৰন্তন মাতৃ' কবিতাটিৰ আধাৰত এই উক্তিৰ যথাৰ্থতা প্ৰতিপন্ন কৰা। ১০

*অথবা*

অভিসাৰিকা নায়িকা কেই প্ৰকাৰৰ? তোমাৰ পাঠত থকা 'অভিসাৰিকা নায়িকা' আৰু 'বৰ্ষাভিসাৰ'ৰ নায়িকাৰ অভিসাৰৰ বৰ্ণনা উপযুক্ত উদাহৰণেৰে সৈতে আলোচনা কৰা। ২+৪+৪=১০

★ ★ ★